# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-03-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
- - - - - - - - - - - - - -

১। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনাত ভালেমান পৰিস্থিতিক দুৰ্যোগ হিচাপে স্বীকৃতি।

২। গুৱাহাটী মহানগৰীকে ধৰি কামৰূপ জিলাৰ বহুকেইটা প্ৰকল্পৰ আজি মুখ্যমন্ত্ৰীৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৩। অহা ২ এপ্ৰিলত ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ ৩৬টা সমষ্টিত নিৰ্বাচন।

৪। ২০২৪ বৰ্ষৰ বাবে সাহিত্য একাডেমী অনুবাদ বঁটা ঘোষণা। অসমীয়াত অঞ্জন শৰ্মা, বড়ো ভাষাত উত্তৰা বিছমুথিয়াৰিৰ গ্ৰন্থকে ধৰি মুঠ ২১ খন অনুদিত গ্ৰন্থক এই বঁটাৰ বাবে বাচনি। ***আৰু***

৫। কাইলৈ আন্তৰ্জাতিক নাৰী দিৱস উদযাপনৰ প্ৰস্তুতি। বিভিন্ন ঠাইত আজিও দিৱসৰ কাৰ্যসূচী উদ্‌যাপন।

০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনাত ভালেমান পৰিস্থিতিক দুৰ্যোগ হিচাপে স্বীকৃতি দিছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি বিধানসভাত বিধায়ক মনোৰঞ্জন তালুকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। শ্ৰী মহন্তই কয়, যে ভূমিকম্প, বান, গৰা খহনীয়া, ভূমিস্খলন, খৰাং, ঘূৰ্ণী বতাহ আৰু ধুমুহা, গ্ৰীষ্ম প্ৰৱাহ, বিজুলী ঢেৰেকণি আৰু বজ্ৰপাত, বনজুই, জৈৱিক আৰু জনস্বাস্থ্য জৰুৰীকালীন অৱস্থা, ৰাসায়নিক, পাৰমাণৱিক আৰু ৰেডিঅ'ল'জিকেল জৰুৰীকালীন অৱস্থাক এই দুৰ্যোগৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে। বানকে ধৰি অন্যান্য প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত ৬ লাখ ৮৭ হাজাৰ ৫৬২ গৰাকী হিতাধিকাৰীলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজিৰ অধীনত ৩৫৬ কোটি ৫৬ লাখ টকা মোকলাই দিয়া হৈছে বুলি বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ৰাণী চাপৰিত দুটা গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে এক কোটি ৫০ লাখ টকৰা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মজলী-ৰাণী চাপৰি সংযোগী ভাসমান সেতুৰ আধাৰশিলা স্থাপন কৰে। এই সেতুখনে যাত্ৰাৰ সময় আৰু পৰিবহন ব্যয় হ্ৰাস কৰাৰ লগতে কৃষি কৰ্ম আৰু থলুৱা অৰ্থনীতি বৃদ্ধি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। ড০ শৰ্মাই লগতে ৬ কোটি ৫৪ লাখ টকা ব্যয়সাপেক্ষে ৰাণী চাপৰিত বিজুলী যোগান ব্যৱস্থাৰো আধাৰশিলা স্থাপন কৰে। প্ৰায় ৪ হাজাৰ বিঘা ভূমি সামৰি ল'বলগীয়া এই বৈদ্যুতিকীকৰণ ব্যৱস্থাই প্ৰায় ৪০০টা পৰিয়ালক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

(বাইট ঃ মুখ্যমন্ত্ৰী)

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে শক্তি, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনো উপস্থিত থাকে।

০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কালাপাহাৰৰ ৰাধা গোবিন্দ বৰুৱা পথ, ডঃ ভূপেন হাজৰিকা পথ আৰু মৰা ভৰলু নৈৰ ওপৰত নিৰ্মাণ কৰা পকী দলং উদ্বোধন কৰে। ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ সহায়ত ১৫ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পকেইটা নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত বৰ্ষাপাৰাৰ ক্ৰিকেট ষ্টেডিয়াম, কালাপাহাৰ, ফটাশিল, কলনী বজাৰৰ পৰা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী বিকল্প পথেৰে যাতায়াত কৰা যানবাহন আৰু যাত্ৰীৰ সুবিধা হ'ব। তদুপৰি বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত ক্ৰিকেট খেলৰ সময়ত হোৱা যান-জঁটৰ সমস্যা হ্ৰাস পোৱাৰ লগতে ষ্টেডিয়ামৰ প্ৰৱেশ দ্বাৰলৈ সংযোগ ব্যৱস্থা সু-শৃংখলিত হৈ উঠিব বুলিও আশা কৰা হৈছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

আজিৰ উদ্বোধনী অনুষ্ঠানত পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াও উপস্থিত থাকে।

০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে অহা ২ এপ্ৰিলত ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ ৩৬টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বিষয়ে ঘোষণা কৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগে আজি প্ৰকাশ কৰা অধিসূচনা অনুসৰি অহা ১৫ মাৰ্চ হ'ব মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ১৭ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৯ মাৰ্চ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। ৪ এপ্ৰিলত ভোটগণনা কৰা হ'ব আৰু সেইদিনাই ফলাফলসমূহ ঘোষণা কৰা হ'ব। ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ৬৩০ টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। নিৰ্বাচন হ'বলগীয়া ৩৬টা সমষ্টিত মুঠ ৪ লাখ ৪৫ হাজাৰ ৫৮৬ জন ভোটদাতা আছে। ইয়াৰে দুই লাখ ১৬ হাজাৰ ১৮১ গৰাকী পুৰুষ, দুই লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা আৰু ১১ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

০০০

হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ অধীনত ৰাজ্যত বৰ্তমান ৩৩৯ খন চৰকাৰী ৰেচম পাম আছে। বিধানসভাত আজি হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মাই বিধায়ক মনোৰঞ্জন তালুকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে, বৰ্তমান চৰকাৰী খণ্ডৰ সাধাৰণ এলেকাৰ ভিতৰত ২০৩ খন আৰু বিটিচি, কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ এলেকাত ১৩৬ খন ৰেচম পাম। ইয়াৰে ১২১ খন হৈছে এড়ি পাম, ৮৬ খন মুগা পাম, ১২৭ খন পাট-পলু পাম আৰু ৫ খন টছৰ পাম আছে। ৰাজ্যৰ ৫৩৬ দশমিক ১-৫ হেক্টৰ অব্যৱহৃত মাটিত পলুৰ খাদ্য বৃক্ষ ৰোপণৰ বাবে বিভিন্ন বিভাগৰ সৈতে ৰেচম বিভাগে আঁচনি ৰূপায়ণৰ পৰিকল্পনা কৰিছে বুলি বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মুগা সূতাৰ চাহিদা অনুযায়ী উৎপাদন বৃদ্ধিৰ বাবে বৰ্তমান লখিমপুৰ আৰু কামৰূপ জিলাত ৰেচম সমগ্ৰ প্ৰকল্পৰ অধীনত আঁচনি ৰূপায়ণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। প্ৰতুকূল বতৰ তথা গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে মুগা উৎপাদনত যথেষ্ট প্ৰভাব

পৰিছে বুলি উল্লেখ কৰি শ্ৰী ব্ৰহ্মাই কয়, যে কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ তত্বাৱধানত অসম তথা উত্তৰপূৰ্বাঞ্চলৰ মুগা পলুৰ উপযোগী পৰিৱেশ থকা ঠাই বাচনিৰ বাবে এখন সমিতি গঠন কৰা হৈছে।

০০০

২০২৪ বৰ্ষৰ বাবে সাহিত্য একাডেমী অনুবাদ বঁটা আজি ঘোষণা কৰা হৈছে। অসমীয়া, বড়ো ভাষাৰ গ্ৰন্থকে ধৰি মুঠ ২১ খন অনুদিত গ্ৰন্থলৈ এই বঁটা আগবঢ়োৱা হৈছে। সংস্কৃত আৰু নেপালী ভাষাৰ বঁটা পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব বুলি সমিতিয়ে জানিবলৈ দিছে। প্ৰাচীন কামৰূপৰ ইতিহাস শীৰ্ষক অনুদিত গ্ৰন্থৰ বাবে লেখক, অনুবাদক অঞ্জন শৰ্মালৈ অসমীয়া ভাষাত এই বঁটা আগবঢ়োৱা হৈছে। হোমেন বৰগোহাঞিৰ সাউদৰ পুতেকে নাও মেলি যায়, শীৰ্ষক গ্ৰন্থখন অনুবাদ কৰি বাসুদেৱ দাসে বাংলা ভাষাত এই বঁটাৰ বাবে নিৰ্বাচিত হৈছে। অনুৰাধা শৰ্মা পূজাৰীৰ কাঞ্চন নামৰ উপন্যাসখনৰ অনুবাদৰ বাবে উত্তৰা বিছমুথিয়াৰীলৈ বড়ো ভাষাত এই বঁটা আগবঢ়োৱা হৈছে। সাহিত্য একাডেমীৰ অনুবাদ বঁটাত আছে নগদ ৫০ হাজাৰ টকা আৰু এখনকৈ তাম্ৰ ফলক।

বজালী অঞ্চলৰ বিশিষ্ট লেখক, সাংবাদিক তথা চিন্তাবিদ অঞ্জন শৰ্মাই কনকলাল বৰুৱাৰ বিখ্যাত গ্ৰন্থ আৰলি হিষ্টৰি অৱ কামৰূপাৰ অসমীয়া অনুবাদ প্ৰাচীন কামৰূপৰ ইতিহাস গ্ৰন্থখনৰ বাবে সাহিত্য একাডেমী অনুবাদ বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ খবৰে সমগ্ৰ বজালীলৈ আনন্দ কঢ়িয়াই আনিছে। আমাৰ বজালীৰ সংবাদদাতাই জনোৱা অনুসৰি অসমৰ প্ৰতিষ্ঠিত ছপাশাল ভৱানী অফছেটৰ পৰিচালন সঞ্চালক অঞ্জন শৰ্মাই হিংসা নে অহিংসা, আন্ধাৰতে যি সাৰ পায়, অসম আন্দোলনৰ অসম্পূৰ্ণ ইতিহাস, কোচবিহাৰৰ বুৰঞ্জী আদিকে ধৰি বহুকেইখন গুৰুত্বপূৰ্ণ গ্ৰন্থৰে অসমীয়া সাহিত্যলৈ উল্লেখনীয় অৱদান আগবঢ়াইছে। শ্ৰীশৰ্মাৰ সম্পাদনাতেই অসম সাহিত্য সভাৰ পাঠশালা অধিবেশনৰ এহেজাৰ ৪৪৮ পৃষ্ঠাৰ সুবৃহৎ কলেবৰৰ স্মৃতিগ্ৰন্থ বজালী বৈভৱ প্ৰকাশিত হৈছে। আজি সাহিত্য একাডেমীৰ অনুবাদ বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ বাতৰি প্ৰকাশ কৰোৱাৰ পাছতে পাঠশালা প্ৰেছ ক্লাৱ, বজালী জিলা বাৰ্তাজীৱি সংঘকে ধৰি বজালীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰীশৰ্মাক অভিনন্দন জ্ঞাপন কৰে।

০০০

পশ্চিম কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত বৰককত আজি কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰোৱে দুহেজাৰ লোকক ভূমিপট্টা প্ৰদান কৰে। পৰিষদৰ এক নম্বৰ দুৱাৰআমলা পৰিষদীয় সমষ্টিত ইতিমধ্যে ৪ হাজাৰ লোকক ভূমি পট্টা প্ৰদান কৰা হৈছে। পৰৱৰ্তীয় পৰ্যায়তো ৪ হাজাৰৰো অধিক লোকক ভূমিপট্টা প্ৰদান কৰা হ'ব বুলি কৰ্যবাহী সদস্যগৰাকীয়ে প্ৰকাশ কৰে।

০০০

হাজোৰ মাধৱ মন্দিৰৰ বিষ্ণু পুষ্কৰ সৰোবৰত বিলুপ্তিপ্ৰায় দুস্প্ৰাপ্য কাছৰ কৃত্ৰিমভাৱে বংশবৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰণৱ মালাকৰ নামৰ এজন লোকৰ প্ৰচেষ্টাই কিদৰে সফলতা লাভ কৰিছে সেই বিষয়ে আমাৰ কামৰূপ জিলাৰ নতুনকৈ নিযুক্তি লাভ কৰা সংবাদদাতা কৌশিক দাসে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে। আমাৰ সহযোগী তন্বিতা ভৰদ্বাজে আগবঢ়াইছে এই প্ৰতিবেদন—

*(বাইট)*

০০০

প্ৰধানমন্ত্ৰী জন ঔষধী দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। কামৰূপ জিলাৰ ৰামপুৰ ভাগৰতীপাৰাত থকা জন ঔষধী কেন্দ্ৰত এই দিৱস উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত ঔষধ পৰিদৰ্শক ড০ শ্যামল নাথ আৰু ভাস্কৰ জ্যোতি পাঠকে জনসাধাৰণক এই কেন্দ্ৰৰ পৰা সুলভ মূল্যত ঔষধ ক্ৰয় কৰিবলৈ আহ্বান জনায়। ডিব্ৰুগড় জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি চৌকিডিঙিৰ জন ঔষধী কেন্দ্ৰত আয়োজিত কাৰ্যসূচীত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই অংশগ্ৰহণ কৰে। ওডালগুৰি জিলাতো স্বাস্থ্য বিভাগৰ উদ্যোগত আৰু পাণেৰী সমবায় সমিতিৰ সহযোগত জন ঔষধী দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী জন ঔষধী যোজনাৰ অধীনত সমগ্ৰ দেশতে ১৫ হেজাৰৰো অধিক জন ঔষধী কেন্দ্ৰই দৈনিক এক নিযুত লোকক সেৱা আগবঢ়াই আহিছে। এই কেন্দ্ৰসমূহত গুণগত মানৰ ঔষধ, অস্ত্ৰোপচাৰৰ সামগ্ৰী, চেনিটেৰী নেপকিন আদি সুলভ মূল্যত ক্ৰয় কৰিব পাৰি।

০০০

আন্তৰ্জাতিক নাৰী দিৱসৰ প্ৰাকক্ষণত আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ কুমাৰ ভাটনাগৰৰ উদ্যোগত আজি গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ চৌহদত নাৰী দিৱসৰ এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত প্ৰচাৰ ভাৰতীৰ গুৱাহাটীত অৱস্থিত কাৰ্যালয়সমূহৰ সমূহ মহিলা কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত মহিলা কৰ্মচাৰীসকলে তেওঁলোকৰ পৰম্পৰাগত পোচাক পৰিধান কৰি অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি অতিৰিক্ত সঞ্চালক প্ৰধান শ্ৰীভাটনাগৰে নাৰীশক্তিক দেশৰ প্ৰগতিৰ অন্যতম  চালিকা শক্তি বুলি অভিহিত কৰে।

০০০

বজালীৰ ঐতিহ্যমণ্ডিত ভৱানীপুৰ সত্ৰই মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মালৈ সন্মানীয় গোপাল আতা বঁটা আগবঢ়াইছে। আজি এখন সংবাদমেলযোগে এই কথা সদৰি কৰি সত্ৰ পৰিচালনা সমিতিয়ে কয়, যে ৰাজ্যৰ সত্ৰ-নামঘৰসমূহক মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰদান কৰা গুৰুত্বৰ বাবেই তেওঁলৈ এই বঁটা আগবঢ়োৱা হৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে যোগাযোগ কৰা হৈছে বুলিও সমিতিয়ে প্ৰকাশ কৰে। সমাগত দৌল উৎসৱৰ সময়ছোৱাত অহা ১৪ বা ১৫ মাৰ্চত মুখ্যমন্ত্ৰী ডং শৰ্মাই সত্ৰলৈ আহি নিজ হাতে এই বঁটা গ্ৰহণ কৰিব বুলি সত্ৰ পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে।

০০০

গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ উদ্যোগত আয়োজিত সপ্তাহজোৰা ছাত্ৰীসকলৰ আত্মৰক্ষাৰ প্ৰশিক্ষণ শিবিৰৰ আজি সামৰণি পৰে। মহাবিদ্যালয়খনৰ ৮০ গৰাকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণ শিবিৰত ছাত্ৰীসকলক আত্মৰক্ষাৰ বিভিন্ন কৌশল শিকোৱা হয়। আজি মহাবিদ্যালয়খনৰ মুকলি মঞ্চত অনুষ্ঠিত সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

০০০

চিৰাং জিলাৰ সদৰ কাজলগাঁৱত আজি এছ অ পি ডি আঁচনিৰ অধীনত বিটিচিৰ কৃষি বিভাগৰ দ্বাৰা এক কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা জিলা কৃষি বিষয়াৰ নৱ নিৰ্মিত কাৰ্যালয়গৃহৰ উদ্বোধন কৰা হয়। কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে এই কাৰ্যালয়ৰ শুভ উদ্বোধন কৰে। অনুষ্ঠানত চিৰাং

জিলাৰ আয়ুক্ত যতীন বৰা, বিটিচিৰ কৃষি বিভাগৰ সঞ্চালক ফণিধৰ ব্ৰহ্মসহ অন্যান্য বিষয়াসকল উপস্থিত থাকে। ইপিনে, জিলা কৃষি বিভাগৰ কাৰ্যালয় চৌহদত কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ (ATMA)ৰ অধীনত জিলা কৃষি বিভাগৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ কৃষি মেলা অনুষ্ঠিত হৈছে। বিটিচিৰ সচিব অমৰজ্যোতি বৰ্মনে কৃষকসকলৰ বাবে অনুষ্ঠিত কৃষি পৰামৰ্শ সন্মিলন মুকলি কৰে। জিলা কৃষি বিষয়া মুনীন্দ্ৰ নাৰায়ণ দাসে উদ্দেশ্য বাখ্যা কৰা এই অনুষ্ঠানত কৃষি, মীন, ৰেচম, পশুপালন আৰু পশুচিকিৎসা বিভাগৰ সৈতে জড়িত শতাধিক কৃষকে অংশগ্ৰহণ কৰে। এই মেলাত মুঠ ১২ খন বিপনী দিয়া হৈছে। একেটা অনুষ্ঠানতে বিটিচিৰ কৃষি বিভাগৰ সচিব অমৰজ্যোতি বৰ্মন, কৃষি বিভাগৰ সঞ্চালক ফণীধৰ ব্ৰহ্ম, চিৰাং কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী চন্দন ডেকা, বিজনী মহকুমা কৃষি বিষয়া, উপানন্দ পাটোৱাৰীসহ বহুকেইজন অভিজ্ঞ কৃষক উপস্থিত থাকে আৰু ইয়াত অংশগ্ৰহণ কৰা কৃষকসকলক পৰামৰ্শ আগবঢ়ায়।

০০০

ঃঃ সমাপ্ত ঃঃ